
# Bédang

GAUHATI UNIVERSITY
MISING STUDENTS' UNION (GUMSU)

**Kangkin Kébang, Gauhati university**
**31st March-2021**

Editor
**Hemchandra Mili**



**BÉDANG :** The Annual Mouthpiece of GUMSU, Edited by Hemchandra Mili and Published by GUMSU on the occasion of Kangkin Kébang, Celebration, 31st March, 2021 at Gauhati University.
**Edition:** March, 2021

ISBN: 978-93-90919-23-9

Published 2020-21

**Publishers**

Gauhati University Mising Students' Union

**Editorial Board**

**Advisors :** *Dr. Kumananda Tayung*
*Mg. Nihar Jyoti Doley*
*Mg. Tileswar Kaman*
*Mg. Pradip Doley*
*Mg. Dibya Kuli*
*Mg.* Mg. Indeswar Pegu
*Mg. Mridul Doley*
*Mg. Monuj Kardong*

**In-charge :** *Mg. Mintu Medhi*
**Editor :** *Mg. Hemchandra Mili*
**Co. Editor :** *Mg. Dipankar Medhi*
**Members :** *Mg. Santonu Pegu*
*Mg. Abhi Doley*
*Mg. Likhan Kuli*
*Mg. Benjamin Mili*
*Mm. Madhumati Pegu*

**Cover: Abhijit Bora**

**Published by:**
**Purbayon Publication**
Joshowanta Raod
Near Panbazar Aadarsha Prathamik Vidyalaya
Panbazar, Guwahati- 781001
Email: purbayonindia21@gmail.com
Website: purbayonpublication.com
Contact No. +91- 9864422157

# TAMTÉNG

GOMSAR:


1. MISING - MIRI: ÉMNA LUKERMÍNSUNAMDOK ATSARKO MISING AGOM — 15
✍ Horish Doley

2. MISING AGOM GOMLABÉLA: MISING RÉNGAM — 19
✍ **Dr. Abhijit Pa:yeng**

3. মিচিং জনজাতিসকলৰ লোক-সংস্কৃতিৰ অনবদ্য অৱদান ঃ অই নিঃ তমৰ এক চমু অৱলোকন — 21
✍ মৌচুমী পায়েং

4. বৰ্ণাঢ্য জনজাতি মিচিং ঃ এটি চমু আভাস — 24
✍ মিনহাজুল আবেদিন

5. ভূমিপুত্ৰ মিচিং জনগোষ্ঠী আৰু দুটা কৃষিভিত্তিক উৎসৱ ঃ এক চমু আলোচনা — 27
✍ বিশ্বজিৎ বড়ো

6. মিচিংসকলৰ নদীকেন্দ্ৰিক পূজা ঃ এটি চমু পৰিচয় — 30
✍ মৃদুল দলে

7. মিচিং জনগোষ্ঠী ঃ তেওঁলোকৰ সাজপাৰ আৰু আ-অলংকাৰ — 33
✍ কুৱলী ডেকা

8. ভূমিপুত্ৰ মিচিং জনগোষ্ঠী ঃ এটি চমু আভাস — 37
✍ হেমচন্দ্ৰ মিলি

9. মিচিং জনগোষ্ঠীৰ খাদ্যসম্ভাৰ ঃ এটি আলোচনা — 41
✍ পৰাগ কলিতা

10. মিচিং জনগোষ্ঠীৰ নৃত্য ঃ এটি চমু আভাস — 47
✍ দিপৰ্ণা কলিতা

11. মিচিংসকলৰ সাজপাৰ ঃ মিবু গালুক — 50
✍ মাচুম নেত্ৰমণি দেৱী

# ভূমিপুত্ৰ মিচিং জনগোষ্ঠী ঃ এটি চমু আভাস

✍ হেমচন্দ্ৰ মিলি

ভাষাৰ পাৰিবাৰিক বৰ্গীকৰণ অনুসৰি বিভাজন কৰা ভাগবোৰৰ ভিতৰত চীন-তীব্বতীয় ভাষা পৰিয়াল অন্যতম। এই চীন-তীব্বতীয় ভাষা পৰিয়ালৰ দুটা উল্লেখযোগ্য ভাগ তিব্বতবৰ্মীয়ৰ অন্তৰ্গত উত্তৰ অসম শাখাৰ এটা উল্লেখযোগ্য ভাষা মিচিং।

মিচিং ভাষা মৌখিক সাহিত্যত যথেষ্ট চহকী আৰু সংস্কৃতিৰ ক্ষেত্ৰতো অসমৰ অন্যান্য জনগোষ্ঠীতকৈ চহকী বুলি ক'লেও বঢ়াই কোৱা নহ'ব। এই মিচিং ভাষাৰ প্ৰচলন তথা লোক উত্তৰ-পূৰ্বাঞ্চলৰ অন্তৰ্গত অসমৰ উপৰিও অসমৰ দাঁতি কাষৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশতো পোৱা যায়। বিশেষকৈ মিচিং ভাষী লোক অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, মাজুলী আদি জিলাত আৰু অৰুণাচলৰ লোহিত আৰু চিয়াং জিলাত বসবাস কৰি থকা দেখা যায়। মিচিংসকলক 'মিৰি' নামেৰেও জনা যায়। ভাৰতীয় সংবিধানৰ জনজাতিৰ তালিকাত 'মিৰি' নামটোহে ব্যৱহাৰ আছে। যদিও বৰ্তমান সময়ত 'মিৰি' শব্দৰ সলনি 'মিচিং' শব্দটো ব্যৱহাৰৰ বাবে চেষ্টা চলাই আহিছে।

২০১১ চনৰ লোকপিয়ল অনুসৰি অসমত মিচিং লোক প্ৰায় সাত লাখ আৰু অৰুণাচলত প্ৰায় এক লাখ। তেওঁলোকৰ মাজত কেইবাটাও ফৈদ পোৱা যায়। যেনে— চামগুৰীয়া, বিহিয়া, বেবেজীয়া, তামাৰ, বংকোৱাল, পাগ্ৰ, ময়িং বা ময়েঙীয়া, দাম্বুগ, চাংয়া, অয়ান আদি। এই ফৈদবোৰৰ ভিতৰত চামগুৰীয়া, বিহিয়া, বংকোৱাল, তামাৰ আদি ফৈদৰ লোকসকলে মিচিং ভাষা নকয়। তেওঁলোকে অসমীয়া ভাষাকেই মাতৃভাষা হিচাপে গ্ৰহণ কৰিছে।

মিচিংসকলৰ ধৰ্ম বুলিলে প্ৰধানকৈ দঃঞি-পঃল ধৰ্মকেই বুজা যায়। যদিও তেওঁলোকে হিন্দু, খ্ৰীষ্টান ধৰ্মতো আছে। বিশেষকৈ অৰুণাচলত দঃঞি-পঃল ধৰ্মৰ প্ৰচলন হৈ আছে। সাধাৰণতে ভাবিব পাৰি যে ভৱিষ্যতে হয়তো মিচিংসকল পূৰ্বৰ নিজৰ স্বকীয় ধৰ্ম দঃঞি-পঃলৰ প্ৰতি আকৰ্ষিত হৈ গ্ৰহণ কৰিব। অৱশ্যে তেওঁলোকে দৈনন্দিন জীৱনত দঃঞি-পঃলৰ লগত জড়িত আচাৰ-ৰীতি-নীতিবোৰ পালন কৰি আহিছে।

**শিক্ষানুষ্ঠানত প্ৰচলন ঃ** মিচিং ভাষা ১৯৮৫ চনৰ পৰা অসমৰ মিচিং অধ্যুষিত প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ মাধ্যম হিচাপে প্ৰৱৰ্তিত হৈ আহিছে। যদিও সকলো মিচিং অধ্যুষিত বিদ্যালয়ত এতিয়ালৈকে হৈ উঠা নাই। অতি দুখৰ বিষয় যে বৰ্তমান সময়ত কোনো ভাষা কেৱল বাগধ্বনিৰ ব্যৱহাৰৰ জৰিয়তে জীয়াই ৰাখিব পৰাটো সম্ভৱ নহয়, তাৰ বাবে শিক্ষানুষ্ঠানত প্ৰৱৰ্তন কৰাটো অতিকৈ প্ৰয়োজন। বৰ্তমান সময়ত

মিচিং ভাষা সঁচাকৈ বিলুপ্তিৰ ভাষাসমূহৰ ভিতৰত অন্যতম হিচাপে চিনাক্ত হ'ব নেকি তাক লৈয়ো সন্দেহ প্ৰকাশ কৰা হৈছে। গতিকে ভাষাটো ব্যৱহাৰ কৰাৰ উপৰিও শিক্ষানুষ্ঠানত শিক্ষাৰ মাধ্যম হিচাপে প্ৰৱৰ্তন কৰাটো অতি জৰুৰী হৈ পৰিছে। বিশেষকৈ শিক্ষানুষ্ঠানত প্ৰৱৰ্তন হ'লে ভাষাটো নজনা মানুহখিনিয়েও নিজৰ ভাষাটো শিকাৰ সুবিধা থাকে বা বিভিন্ন কাৰণত শিকিবলৈ আগ্ৰহী হয়।

**ভাষা ঃ** মিচিং ভাষাৰ লগত অৰুণাচল আদি, গালং, হিলামিৰি ইত্যাদি ভাষাৰ লগত যথেষ্ট মিল দেখা যায়। ড° ভীমকান্ত বৰুৱাই তেখেতৰ 'অসমৰ ভাষা' শীৰ্ষক গ্ৰন্থক মিচিং ভাষাৰ লগত আদি, গালং ভাষাৰ লগত তুলনা দাঙি ধৰিছে। এটা কথা ক'ব পাৰি যে এই ভাষাবোৰৰ মাজত গভীৰ তুলনামূলক অধ্যয়নে মিচিং ভাষালৈ যথেষ্ট অৰিহনা যোগাব পাৰে। কিন্তু দুই এটা আলোচনাৰ বাহিৰে অধ্যয়ন, গৱেষণা চকুত লগাকৈ দেখিবলৈ পোৱা নাই।

মিচিং ভাষাত স্বৰধ্বনি মূলতঃ সাতোটা আছে —/ ই, এ, আ, অ্, অ, আ৾, উ/। এই স্বৰবোৰৰ হ্ৰস্ব আৰু দীৰ্ঘ দুয়োবিধ ধ্বনি উচ্চাৰিত হয়। দীৰ্ঘ ৰূপটোক বুজাবৰ বাবে 'ঃ' (মুগয়াৰ) এই কূটচিহ্ন ব্যৱহাৰ কৰা হয়। সেইদৰে মিচিং ভাষাত ব্যঞ্জনধ্বনি ১৬টা আছে— /ক, গ, ঙ, চ, জ, ঞ, ত, দ, ন, প, ব, ম, ৰ, ল, ৱ, য়/। ইয়াত দেখা গৈছে যে মহাপ্ৰাণ ধ্বনি এটাও নাই। অৰ্থাৎ মিচিং ভাষাত মহাপ্ৰাণ ধ্বনিৰ উচ্চাৰিত নহয়। কেৱল অল্পপ্ৰাণ ধ্বনিহে উচ্চাৰণ হয়। সেয়েহে অসমীয়া কথা কওঁতে তেওঁলোকে মহাপ্ৰাণ ধ্বনিসমূহ অল্পপ্ৰাণ ধ্বনি উচ্চাৰণ কৰে। অৱশ্যে বৰ্তমান শিক্ষিত লোকৰ মাজত অসমীয়া ভাষাৰ মহাপ্ৰাণ ধ্বনিৰ উচ্চাৰণ দেখা গৈছে।

**লিপি ঃ** মিচিং ভাষাৰ নিজা ভাষা আছে যদিও লিপি নাই। এসময়ত মিচিং ভাষা অসমীয়া লিপিৰে লিখাৰ প্ৰচেষ্টা কৰিছিল যদিও বৰ্তমান সংশোধিত ৰোমান লিপিতেই পুথি-পাঁজি, ব্যাকৰণ, অভিধান ৰচনা কৰা দেখা গৈছে। সাধাৰণতে মিচিং ভাষাটো অসমীয়া লিপিত প্ৰকাশ কৰাটো উপযুক্ত নহয়। সেয়েহে মিচিং ভাষাক অসমীয়া লিপিত লিখাৰ পৰিৱৰ্তে মিচিং ভাষা চিন্তা-চৰ্চাকাৰীসকলে যথেষ্ট চিন্তা-চৰ্চা কৰি ৰোমান লিপি ব্যৱহাৰ কৰে। ভাষাটো যথেষ্ট চহকী। ভাষাটোৰ চিন্তা-চৰ্চা হৈ থাকিলে ভৱিষ্যতে ভাষাটোৱে ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰাৰ লগতে সমগ্ৰ বিশ্বতে জিলিকি হৈ ৰ'ব সেই বিষয়ে সন্দেহ নাই।

**উৎসৱ-পাৰ্বণ ঃ** মিচিংসকলৰ দুটা উল্লেখযোগ্য কৃষিভিত্তিক উৎসৱ হ'ল আলি-আঃয়ে-লৃগাং আৰু পঃৰাগ। লৃগাং উৎসৱ প্ৰত্যেক বছৰে ফাগুনৰ প্ৰথম বুধবাৰে উদ্‌যাপন কৰা হয়। এই দিনটোক তেওঁলোকে পৱিত্ৰ দিন হিচাপে গণ্য কৰে। এই দিনটোৰ পৰাই তেওঁলোকে খেতি কৰিবলৈ আৰম্ভ কৰে। আলি-আঃয়ে-লৃগাঙৰ তাৎপৰ্যৰ ফালৰ পৰা, অসমৰ ভূমিপুত্ৰ আৰু দ্বিতীয় বৃহত্তম জনগোষ্ঠী তথা অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ অতুলনীয় বৰঙণি আগবঢ়োৱা জনগোষ্ঠী হিচাপে তেওঁলোকৰ জাতীয় উৎসৱ লৃগাং দিনটোক ৰাজ্যিক বন্ধ হিচাপে ঘোষণা কৰাৰ গুৰুত্ব তথা তাৎপৰ্য অধিক।

পঃৰাগ উৎসৱত যথেষ্ট খৰচ হয়। সেয়েহে সময়-সুবিধা লক্ষ্য কৰি তিনি চাৰি বছৰৰ মূৰে মূৰে পঃৰাগ উৎসৱ উদ্‌যাপন কৰা হয়। ইয়াক অসমীয়া ভাষী লোকে 'নৰা ছিগা' বুলি অভিহিত কৰে।

এওঁলোকৰ মাজত লৃগা, পঃৰাগৰ বাহিৰেও দবুৰ উয়ু, তালেং উয়ু, কুঃচাগ, উৰম পঃচুম আদি নানা পূজা-পাতলৰ প্ৰচলন দেখা যায়।

**সাজপাৰ ঃ** মিচিং সমাজ সাজপাৰৰ ক্ষেত্ৰত অতি চহকী। তেওঁলোকৰ সাজপাৰ আৰু শিপিনীৰ লগত অসমৰ অতি কম সংখ্যক জনগোষ্ঠীয়েহে ফেৰ মাৰিব পাৰে। মিচিং বস্ত্ৰবোৰৰ বিশেষত্ব হৈছে ইয়াত

বছা ফুলবোৰ। মিমাং অৰ্থাৎ চানেকিৰ আৰ্হিত ফুলবোৰ বাছে। তেওঁলোকৰ পুৰুষে পিন্ধা বস্ত্ৰৰ ভিতৰত— গালুগ, মিবু গালুগ, তাপুম গাচৰ, দুমীৰ, গনৰ উগন আদি অন্যতম।

মিচিং মহিলাই পিন্ধা সাজপাৰৰ ভিতৰত এগে, গাৰে, গাপা, মাতাগাপা, ৰিঃবি, গাচেং, য়াম্ব, গেৰ, কিম্বু, পটালি, কেম্বু আদি উল্লেখযোগ্য। পুৰুষ-মহিলা উভয়ে ব্যৱহাৰ কৰা কাপোৰ হ'ল— ৰিঃবি, গাচীং, তাপুম, গাৰে, গাদু আদি।

**আ-অলংকাৰ ঃ** পুৰণি কালৰ পৰাই মিচিং পুৰুষ-মহিলাই আ-অলংকাৰৰ পৰিধান কৰি আহিছে। বিশেষকৈ মিচিং গামসকলে মেল, কেবাং আদিত অলংকাৰ পৰিধান কৰিছিল। পুৰুষে পিন্ধা অলংকাৰ হৈছে— দগনী (মণি), তাদগ (বৰমণি), গামখাৰু ইত্যাদি। দগনী আৰু তাদগ এই দুবিধ অলংকাৰ মিচিং সমাজৰ অতি মূল্যবান সম্পদ। কৰ্ণেল ডেল্টনে চীন দেশৰ পৰা এই মূল্যৱান মণি দুবিধ অনা হৈছিল বুলি উল্লেখ কৰিছে। সেইদৰে মিচিং মহিলাই পুৰণি কালৰ পৰা অলংকাৰ পৰিধান কৰাৰ কথাও তেওঁলোকৰ লোকগীত আৰু কাহিনীবোৰত পোৱা যায়। মহিলাই পিন্ধা অলংকাৰৰ ভিতৰত দকচিৰি, দুম্ব, কংগে, পিচিৰি, দগনী, মাৰ্পাং, তাতীগ, চেং, বিৰবিৰ, লাকপুন, কেম্ভ আদিৰ নামৰ ল'ব পাৰি। পিছলৈ তেওঁলোকৰ মাজলৈ জাংফাই, থুৰীয়া, জোনবিৰি, মাদলী আদি অলংকাৰবোৰে প্ৰৱেশ লাভ কৰিবলৈ ধৰিলে।

**খাদ্যাভাষঃ** মিচিং-জনগোষ্ঠীৰ লোক মংগোলীয়। সেয়েহে তেওঁলোকৰ মাজত মাছ-মাংসৰ ব্যৱহাৰ হোৱা দেখা যায়। তেওঁলোকৰ খাদ্যাভাসৰ ভিতৰত নামচিং, পুৰা আপিন, বাঁহ গাজৰ খৰিচা, বাঁহৰ গাজ, আমিন অইং আদি অন্যতম। উল্লেখযোগ্য যে তেওঁলোকৰ ৰন্ধন প্ৰকৰণত তেলৰ ব্যৱহাৰ প্ৰায় নাই বুলিয়েই ক'ব পাৰি।

সেইদৰে তেওঁলোকৰ মাজত দুবিধ আপঙৰ প্ৰচলন আছে— নগিন আপং (লাওপানী) আৰু পঃৰ আপং (ছাইমদ)। তদুপৰি 'ফটিকা' নামৰ এবিধ পানীয়ৰ প্ৰচলন আছে। বিভিন্ন উৎসৱ-পাৰ্বণ, সকাম আদিত তেওঁলোকে এইবোৰ ব্যৱহাৰ কৰে।

**গীত ঃ** মিচিংসকলৰ মাজত অনেক গীত আছে। এই লোকগীতবোৰক ভাষাতাত্বিক পণ্ডিত নাহেন্দ্ৰ পাদুনে আঠোটা শ্ৰেণীত ভাগ কৰিছে—

(১) 'আঃবাং নিঃতম' বা দেওধাই গীত
(২) 'কাঃবান নিঃতম' বা বিননি গীত
(৩) 'বৃঃবৃগ নিঃতম' বা ঋতু উৎসৱমূলক গীত
(৪) 'লুপ নিঃতম' বা কথোপকথনমূলক গীত
(৫) 'মিদাং নিঃতম' বা বিয়া নাম
(৬) 'মমান নিঃতম' বা খেল-ধেমালিৰ গীত
(৭) 'বৃনিঃ' বা 'ক-নিঃনাম নিঃতম' বা নিচুকণি গীত

সাধাৰণতে 'আঃবাং নিঃতম' তেওঁলোকৰ পুৰোহিতস্বৰূপ মিবুসকলে পৰিৱেশন কৰে।

**নৃত্য ঃ** তেওঁলোকৰ নৃত্যক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি—

(১) গুমৰাগ চঃমান
(২) মিবু দাগ্‌নাম
(৩) মাকচঃ চঃমান

'গুমৰাগ' মিচিংসকলৰ এটা উল্লেখযোগ্য নৃত্য। গুমৰাগ নৃত্যত মিচিং গাভৰুসকলে চিকাৰ কৰা, মাছ ধৰা, তাঁত বোৱা, নাও চলোৱা, ধান কটা, হাবি কটা আদি নৃত্যৰ যোগেদি প্ৰকাশিত কৰে। মিবু দাগনাম মিবুসকলৰ দ্বাৰা পৰিৱেশিত নৃত্য। সেইদৰে 'মাকচঃ চঃমান নৃত্য' পঃৰাগ, ৰঙালী বিহু আদিত নচা হয়।

**বাদ্যযন্ত্ৰ ঃ** মিচিংসকলৰ পৰম্পৰাগত বাদ্যযন্ত্ৰ দেখিবলৈ পোৱা যায়। সেই বাদ্যযন্ত্ৰবোৰ তেওঁলোকে বিভিন্ন উৎসৱ-পাৰ্বণ আদিত ব্যৱহাৰ কৰে। তেওঁলোকৰ মাজত প্ৰচলিত বাদ্যযন্ত্ৰৰ ভিতৰত দুমদুম

(ঢোল), লুংপি (তাল), তাপুং, পেম্পা (পেঁপা), দুম্পে, তুংলুং বা কুৰুলি, গুংগা (গগনা), দেন্দুন ইত্যাদি।

পৰিশেষত ক'ব পাৰি মিচিং জনগোষ্ঠীয়ে অতীতৰে পৰা বৰ্তমান সময়লৈকে নিজৰ জাতীয় ঐতিহ্য বহন কৰি আহিছে। তেওঁলোকৰ সাজ-পাৰ, তেওঁলোকৰ সম্পূৰ্ণ নিজা ভাষা-সাহিত্য আৰু শক্তিশালী সংস্কৃতি আছে। যিটো জাতিত বাহিৰা কোনো অৰদানৰ প্ৰয়োজনে নাই। আনৰ ওচৰত হাত পতাৰ কোনো কাৰণ নাই। মিচিং জাতি স্বয়ংসম্পূৰ্ণ। তেওঁলোকৰ সাজপাৰ, খাদ্যভ্যাযে বিশ্বৰ বজাৰ দখল কৰাৰ যথেষ্ট তাৎপৰ্য আছে আৰু বিশ্বৰ বজাৰ দখলে মিচিং জনগোষ্ঠীক আৰ্থিকভাৱে শক্তিশালী কৰাৰ লগতে সমগ্ৰ অসম তথা ভাৰতবৰ্ষক লাভাৰান্বিত কৰিব বুলি আশা কৰিব পাৰি।

■ *স্নাতকোত্তৰ তৃতীয় ষান্মাসিক*
*অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়*